**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত আজি প্ৰথম শুনানি। চি জে এম আদালতত সাতগৰাকী অভিযুক্তৰ ভাৰ্চুৱেল শুনানি।

২। নগাঁৱৰ ধিঙত ৩ হাজাৰ ৪৭১ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত।

৩। ৰাজ্যৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি হ্ৰাস কৰাৰ বাবে সৰ্বশিক্ষা অভিযানৰ স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি।

৪। অসমকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত হোৱা জনগাঁথনিগত পৰিৱৰ্তনৰ অধ্যয়নৰ বাবে গৃহ মন্ত্ৰালয়ৰ উচ্চ পৰ্যায়ৰ কমিটী গঠনৰ সিদ্ধান্ত। ***আৰু***

৫। লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক আজি মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত পক্ষক অভিযোগনামাৰ প্ৰতিলিপি প্ৰদানৰ বাবে এছ আই টিৰ দল বাক্সা আৰু হাফলঙলৈ ৰাওনা হৈছে। এই প্ৰতিলিপি তেওঁলোকে লাভ কৰাৰ পাছতেই সাতোগৰাকী অভিযুক্তক আজি আদালতত ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে আদালতে এই গোচৰৰ অভিযোগনামা গ্ৰহণ কৰি অভিযুক্তকেইজনক সোঁশৰীৰে আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিছিল যদিও আইন শৃংখলাজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক তেনেদৰে হাজিৰ কৰোৱাত অসুবিধা আছে বুলি অসম আৰক্ষীয়ে আদালতত লিখিতভাৱে প্ৰকাশ কৰে। অভিযুক্তকেইজনক ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱাৰ অনুমতি বিচাৰি আৰক্ষীয়ে আবেদন দাখিল কৰে। এই মৰ্মে তেওঁলোকক আজি ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। চৰকাৰী পক্ষৰ অধিবক্তা প্ৰদীপ কোঁৱৰে প্ৰকাশ কৰা মতে আজি অভিযুক্তসকলৰ মতামত গ্ৰহণ নকৰে বৰং স্বাস্থ্যজনিত দিশবোৰ নিৰীক্ষণ কৰিব। তেওঁলোকক আদালতত হাজিৰ কৰোৱাৰ পৰৱৰ্তী তাৰিখো আজি নিৰ্ধাৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইতিমধ্যে কামৰূপ মহানগৰ জিলাৰ আইন সেৱা প্ৰাধিকাৰীয়ে অভিযুক্তসকলৰ বাবে এজন অধিবক্তা নিযুক্তি দিছে যদিও তেওঁ শুনানিত অংশ ল'ব নে নাই সেয়া নিশ্চিত হোৱা নাই।

উল্লেখযোগ্য যে আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানিৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে, আন দুজন অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে। আজি এই শুনানিৰ সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে এইদৰে মত প্ৰকাশ কৰে।

**বাইট (বিজন মহাজন)**

০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪৭১ বিঘা ভূমিত আজি প্ৰশাসনে উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। অহা ২০ ডিচেম্বৰলৈ চলিবলগীয়া এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষী-জোৱান নিয়োগ কৰা হৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে এই চৰকাৰী ভূমি দখল কৰি একাংশ লোকে মীন পালনৰ বাবে পুখুৰী খননৰ ব্যৱস্থা কৰিছিল। প্ৰশাসনে জাননী জাৰি কৰি অঞ্চলটো দখলমুক্ত কৰাৰ বাবে আজি উচ্ছেদ অভিযান আৰম্ভ কৰিছে। এই অনুসৰি অঞ্চলটোৰ শালনাবাৰী, ভেৰভেৰী বিল, টুকটুকী, আহোম গাঁও, কটহগুৰি আৰু ৰৌমাৰী বিলত উচ্ছেদ চলোৱা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি হ্ৰাস কৰাৰ বাবে সৰ্বশিক্ষা অভিযানে স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা আৰম্ভ কৰিছে। বিদ্যালয়ত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই অনাৰ বাবে সৰ্বশিক্ষা অভিযানে এই পদক্ষেপ লৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি আনুষ্ঠানিকভাৱে এই স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি কৰে। এই ব্যৱস্থাৰ জৰিয়তে একেৰাহে পাঁচদিন ধৰি বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰা হ'ব। এই সতৰ্কবাণীসমূহ নিৰ্দিষ্ট পাঁচদিনৰ ব্যৱধানত স্বয়ংক্ৰিয়ভাৱে সৃষ্টি কৰা হ'ব আৰু বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ বা ছাত্ৰীগৰাকী পুনৰ বিদ্যালয়ত উপস্থিত নোহোৱা পৰ্যন্ত চলি থাকিব। এই মেছেজসমূহ একেলগে দুজন মূল অংশীদাৰলৈ প্ৰেৰণ কৰা হ'ব। বিদ্যালয়ৰ শ্ৰেণী শিক্ষকসকলে সংশ্লিষ্ট শিক্ষাৰ্থীৰ নাম, শ্ৰেণী আদি স্পষ্টভাৱে উল্লেখ থকা বাৰ্তা লাভ কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই আনিবলৈ অভিভাৱকৰ সৈতে যোগাযোগ কৰিব পাৰিব। অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ অনুপস্থিতি সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংক্ষিপ্ত বাৰ্তা বাৰে বাৰে লাভ কৰি থাকিব। এই বাৰ্তাসমূহ অসমীয়া, বাংলা, বড়ো, হিন্দী আৰু ইংৰাজীত প্ৰেৰণ কৰা হ'ব। স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত এইদৰে কয় –

**বাইট**

০০০০০০

অসম ৰাজ্যিক পৰিবহণ নিগমৰ মুখ্য কাৰ্যালয় কালি গুৱাহাটীৰ ৰূপনগৰত মুকলি কৰা হয়। পূৰ্বে পল্টন বজাৰত থকা এই কাৰ্যালয় ৰূপনগৰলৈ স্থানান্তৰিত কৰাৰ পাছত পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে কালি কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে আয়োজিত সভাত দিয়া ভাষণত শ্ৰীবড়োৱে কয়, যে ৪০ বছৰৰো অধিক সময়ৰ পাছত পৰিবহণ নিগমে নতুন ঠিকনা লাভ কৰিলে। স্থায়ী কাৰ্যালয় স্থাপনৰ দ্বাৰা পৰিবহণ নিগম পুনৰ উজ্জীৱিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

**বাইট (চৰণ বড়ো)**

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি ৰূপনগৰত এই কাৰ্যালয় স্থাপন কৰাৰ লগতে জালুকবাৰীত অত্যাধুনিকৰূপত আই এছ বি টি নিৰ্মাণৰ বাবে ২০ বিঘা ভূমি লাভ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

অসমকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত হোৱা জনগাঁথনিগত পৰিৱৰ্তনৰ কাৰণ আৰু প্ৰতিকাৰ নিৰূপণৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যসভাত কালি কেন্দ্ৰীয় পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী ৰাও ইন্দ্ৰজিৎ সিঙে সদনৰ প্ৰশ্নোত্তৰকালত এই কথা সদৰি কৰি কয়, যে উচ্চ পৰ্যায়ৰ এই কমিটীখনে অনুপ্ৰৱেশ আৰু অন্যান্য অস্বাভাৱিক কাৰণৰ বাবে হোৱা জনগাঁথনি পৰিৱৰ্তনৰ প্ৰত্যাহ্বানসমূহ বিশ্লেষণ কৰিব আৰু প্ৰতিবেদনযোগে চৰকাৰক পৰামৰ্শ আগবঢ়াব। কমিটীখনে এই ক্ষেত্ৰত

অতিৰিক্ত নীতি প্ৰস্তুত কৰাৰ লগতে আইন আৰু প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰাৰো দিহা প্ৰদান কৰিব। অৱশ্যে এই উচ্চ পৰ্যায়ৰ কমিটীখন কাৰ নেতৃত্বত আৰু কেতিয়া গঠন কৰা হ'ব সেই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কোনো তথ্য প্ৰকাশ কৰা নাই। উল্লেখযোগ্য যে চলিত বৰ্ষৰ স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনগাঁথনি পৰিৱৰ্তনৰ প্ৰত্যাহ্বানসমূহক লৈ উচ্চ পৰ্যায়ৰ অভিযান চলোৱা হ'ব বুলি ঘোষণা কৰিছিল। যোৱা ১০ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত গৃহমন্ত্ৰী অমিত শ্বাহে বিষয়টো সন্দৰ্ভত উচ্চ পৰ্যায়ৰ কমিটীৰ প্ৰসংগ উত্থাপন কৰি ইয়াৰ কাৰ্যপৰিধি আৰু চৰ্তাৱলী সন্দৰ্ভত বিশদভাৱে আলোচনা কৰিছিল। এই বৈঠকতে উচ্চ পৰ্যায়ৰ কমিটী গঠনৰ সিদ্ধান্তত অনুমোদন জনোৱা হৈছিল। মূলতঃ অসম-বাংলাদেশ আৰু পশ্চিমবংগ-বাংলাদেশৰ দৰে আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী এলেকাত উচ্চ পৰ্যায়ৰ কমিটীখনে বিশেষ অধ্যয়ন চলাব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ আধাৰত ৰৈ যোৱা ত্ৰুটিসমূহ অধ্যয়নৰ বাবে অসমৰ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে এখন উচ্চস্তৰীয় পৰামৰ্শদাতা সমিতি গঠন কৰি দিছে। সমন্বয়ৰক্ষী সমিতিয়ে ইতিপূৰ্বে গঠন কৰি দিয়া চাৰিজনীয়া ক'ৰ কমিটীয়ে ৰাজ্যৰ দহগৰাকী বিশিষ্ট ব্যক্তিক অন্তৰ্ভুক্ত কৰি এই পৰামৰ্শদাতা সমিতিখন গঠন কৰি দিছে। পৰামৰ্শদাতা সমিতিৰ অধ্যক্ষ হিচাপে দিল্লীৰ সুহাস চাক্‌মাক দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০০

সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে। প্ৰতিবছৰে আজিৰ দিনটোত কৃতজ্ঞ ৰাষ্ট্ৰই প্ৰতিগৰাকী ভাৰতীয়ক উৎসাহিত আৰু গৌৰৱান্বিত কৰা বীৰ ছহিদসকলৰ সৰ্বোচ্চ ত্যাগৰ কাহিনীক স্মৰণ কৰে। আজিৰ দিনটোতে ১৯৭১ চনত পাকিস্তানী সেনা বাহিনীৰ মুৰববী জেনেৰেল এ এ খান নিয়াজিয়ে ৯৩ হাজাৰ সেনাবাহিনীৰ সৈতে ভাৰতীয় সেনাৰ সন্মুখত বিনা চৰ্তে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ সমাপ্তিত পূব পাকিস্তানৰ পৰিৱৰ্তে বাংলাদেশ হিচাপে এখন নতুন ৰাষ্ট্ৰ গঠন হৈছিল।

০০০০০০

অসমত বিভিন্ন অপৰাধত অভিযুক্তক দোষী সাব্যস্তকৰণ আৰু অভিযোগনামা দাখিলৰ হাৰ পূৰ্বতকৈ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত অপৰাধ হ্ৰাস পাইছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। জানিব পৰা মতে যোৱা বছৰত অভিযুক্তক দোষী সাব্যস্তকৰণৰ হাৰ ৫ দশমিক ৫ শতাংশৰ পৰা চলিত বছৰত ২৫ শতাংশলৈ বৃদ্ধি পাইছে। একেদৰে অভিযোগনামা দাখিলৰ পৰা যোৱা বছৰৰ ৪৭ দশমিক ৮ শতাংশৰ পৰা এই বছৰ ৭৫ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত প্ৰকাশ কৰা মতে আৰক্ষী প্ৰশাসন ব্যৱস্থা শক্তিশালীকৰণৰ ফলত এই ক্ষেত্ৰত আশাব্যঞ্জক ফলাফল লাভ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়, যে এখন সুষ্ঠ আৰু অপৰাধমুক্ত সমাজ গঢ়াৰ বাবে ৰাজ্য চৰকাৰে সৰ্বতোপ্ৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ২০২১ চনত ৰাজ্যখনত ১২ হাজাৰ ৭৩৭টা চুৰি ঘটনা সংঘটিত হৈছিল আৰু যোৱা বছৰলৈকে এই ঘটনা ৭ হাজাৰ ৬৩৪ লৈ হ্ৰাস পাইছে।

০০০০০০

**জৰ্ডান, ইথিওপিয়া, ওমানলৈ প্ৰধানমন্ত্ৰী- আম্মানত বিপুল আদৰণি মোদীক, পঞ্চভূতত বিলীন প্ৰবীণ সাংবাদিক প্ৰফুল্ল গেবিন্দ বৰুৱাৰ নশ্বৰ দেহ, দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰে বৈঠক মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ, বিষাক্ত দিল্লীৰ বায়ুঃ শ্বাসৰুদ্ধকৰ পৰিৱেশত জীৱন নিৰ্বাহ দিল্লীবাসীৰ আদি**

ভিন ভিন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰে বাণিজ্যিক সংঘাটৰ ভাৰতীয় অৰ্থনীতিত ব্যাপক প্ৰতিফলন ঘটাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে-মাৰ্কিন শুল্কৰ ভয়াবহ প্ৰতিফলন ভুগিছে ভাৰতীয় অৰ্থনীতিয়ে- এক ডলাৰত হ'লগৈ ৯০.৭৮ টকা-এই শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া সংবাদ জগতৰ মহীৰুহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত প্ৰধামমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে শোক প্ৰকাশ কৰাৰ বাতৰি **ডি আছাম ট্ৰিবিউন** আৰু **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** কাকতে এই বাতৰি 'দৈনিক অসম'ৰ অন্যতম ৰূপকাৰক বিদায়- এই শিৰোনামেৰে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অসমকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত হোৱা জনগাঁথনিগত পৰিৱৰ্তনৰ কাৰণ আৰু প্ৰতিকাৰ নিৰূপণৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এখন কমিটী গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জনতাৰ শিল্পী জুবিন গাৰ্গ হত্যাৰ বাচাৰৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া আজিৰে পৰা আৰম্ভ হ'ব- ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱা হ'ব ৭ অভিযুক্তক-বাতৰিটো **দা চেণ্টিনেল, আমাৰ অসম** আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। উত্তৰ-পশ্চিম যোৰহাটত অবৈধ পলস ছিণ্ডিকেটক লৈ ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

লখিমপুৰৰ ঢকুৱাখনাত কালি ভাৰতীয় জনতা যুৱ মৰ্চাৰ ঢকুৱাখনা জিলা সমিতিৰ উদ্যোগত এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। জিলা যুৱ মৰ্চাৰ বিষয়ববীয়া আৰু মণ্ডলৰ বিষয়ববীয়াক লৈ অনুষ্ঠিত সাংগঠনিক সভাখনত যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসে অংশগ্ৰহণ কৰে।

০০০০০০

সমাজ কল্যাণ বিভাগৰ অধীনত ২৫ লাখ টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত আছাবাম চাহ বাগিচা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো কালি নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে মুকলি কৰে। অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ যোগেদি সমাজ কল্যাণ বিভাগে শিশুসকলৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাৰ লগতে তেওঁলোকৰ স্বাস্থ্য সমন্ধীয় বিভিন্ন দিশৰ যত্ন লৈ আহিছে। বিধায়কগৰাকীয়ে আছাবামত কালি মুকলি কৰা অংগনৱাড়ী কেন্দ্ৰটোৰ যোগেদি অঞ্চলটোৰ শিশুসকল উপকৃত হ'ব বুলি মন্তব্য কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**